**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-01-2025 **Time :** 1845 Hrs

***Assamese Evening Bulletin***
***Headlines***

oooooooo

১। আজি ভোগালী বিহুৰ উৰুকাৰ সমূহীয়া ভোজভাতৰ প্ৰস্তুতি সম্পূৰ্ণ।

২। ২০২৪ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সফলতা লাভ কৰা এহেজাৰ ৫১৭ গৰাকী ছাত্ৰ-ছাত্ৰীক মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বৃত্তিৰ ধন প্ৰদান।

৩। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ পৰিপ্ৰেক্ষিতত মন্ত্ৰী কেশৱ মহন্তৰ মালয়েছিয়াৰ উদ্যোগ আৰু বাণিজ্য ক্ষেত্ৰৰ প্ৰতিনিধিৰ সৈতে বৈঠক।

৪। প্ৰাক্তন আই পি এছ বিষয়া দেৱৰাজ উপাধ্যায়ৰ অসম লোকসেৱা আয়োগৰ নতুন অধ্যক্ষ হিচাপে শপতগ্ৰহণ।

***আৰু***

৫। নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত আজি খো খো বিশ্বকাপ ২০২৫ আৰম্ভ।

oooooooo

আজি ভোগালী বিহুৰ উৰুকা। পৰম্পৰাগতভাৱে চলি অহা মাঘৰ বিহুৰ উৰুকাৰ দিনা ৰাজ্যবাসীয়ে আজি নিশা সমূহীয়া ভোজ-ভাত খোৱাৰ দিহা কৰিছে। গ্ৰাম্যাঞ্চলত মেজি আৰু ভেলাঘৰৰ তলত সমূহীয়া ভোজ-ভাতৰ প্ৰস্তুতি পুৱাতে আৰম্ভ হয়। গুৱাহাটীকে ধৰি ৰাজ্যখনৰ নগৰাঞ্চলৰ ৰাইজেও কংক্ৰিটৰ মজিয়াত একেলগে এসাঁজ খোৱাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ৰাজ্যখনৰ গ্ৰাম্যাঞ্চলৰ কেইবাখনো বিলত আজি গাঁওবাসীয়ে সমূহীয়াকৈ মাছ ধৰে। মাছৰ বজাৰসমূহত আজি পুৱতি নিশাৰে পৰা বিভিন্ন স্থানৰ পৰা মাছ ব্যৱসায়ীসকল উপস্থিত হোৱাৰ লগতে গ্ৰাহকৰো ভিৰ পৰিলক্ষিত হয়।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্গত বিল, জলাশয়সমূহত আজি পুৱাৰ ভাগত ওচৰৰ গাঁওবাসীক ২ ঘণ্টাৰ বাবে মাছ ধৰিবলৈ উদ্যান কৰ্তৃপক্ষই অনুমতি দিয়ে। মাজুলীৰ বিভিন্ন অঞ্চলত আজি ৰাইজে সমূহীয়াভাৱে মাছ ধৰি আনন্দ উপভোগ কৰে। কোকৰাঝাৰ জিলাৰ বজাৰসমূহত আজি ভোগালীৰ উৰুকাৰ বাবে মাছ বিক্ৰেতা আৰু ক্ৰেতাসকলে ভিৰ কৰে বুলি আমাৰ সংবাদদাতাই জনাইছে।

মাঘ বিহু উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমবাসীক শুভেচ্ছা জনাইছে।

উৰুকাৰ নিশা যাতে ৰাজ্যখনত সুৰাপায়ী চালকৰ দ্বাৰা কোনো ধৰণৰ দুৰ্ঘটনা সংঘটিত নহয় তাৰ বাবে পৰিবহন বিভাগে আজি আবেলিৰ পৰা বিভিন্ন স্থানত তালাচীৰ ব্যৱস্থা কৰিছে।

শিৱসাগৰ জিলাত আজি পুৱাৰে পৰা ৰাইজে উৰুকাৰ নিশা ভোজৰ বাবে খাদ্য সম্ভাৰ ক্ৰয় কৰিবলৈ বজাৰত ভিৰ কৰে। শিৱসাগৰ নগৰৰ সমীপৰ জয়সাগৰ অঞ্চলত থকা জেৰেঙাপথৰৰ বিলসমূহৰ লগতে ভটীয়াপাৰৰ মৎস্য উৎপাদন কেন্দ্ৰসমূহত আজি পুৱাৰে পৰা ভিৰ হোৱা দেখা যায়। শিৱসাগৰ নগৰৰ পদপথত বাস কৰা লোকসকলক আজি আহোম সেনা নামৰ সংগঠনটোৱে উৰুকাৰ বাবে আহাৰৰ যোগান ধৰে। দুকুৰিৰো অধিক লোকক সংগঠনটোৱে এই আহাৰৰ যোগান ধৰে।

গোলাঘাটৰ ৰাইজৰ উৰুকাৰ প্ৰস্তুতি সম্পৰ্কত জিলাখনৰ পৰা আমাৰ সংবাদদাতা হিৰণ্য গগৈৰ এয়া প্ৰতিবেদন -

-ভইচ-

ৰাজ্যৰ অন্যান্য জিলাৰ লগতে ধুবুৰী জিলাত ভোগালীক আদৰাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। জিলাখনৰ বিভিন্ন প্ৰান্তত আজি উৰুকাৰ নিশা ভোজভাত খোৱাৰ বাবে ৰাইজ সাজু হৈছে। জিলাখনৰ গ্ৰামাঞ্চলৰ জীয়ৰী-বোৱাৰীসকল পিঠা-পনা প্ৰস্তুত কৰাত ব্যস্ত হৈ থকাৰ লগতে ঢেঁকীৰ শব্দই চৌদিশ ৰজনজনাই থকা বুলি আমাৰ সংবাদদাতাই জনাইছে। আজি উৰুকা উপলক্ষে জিলাখনৰ গোলকগঞ্জ, গৌৰীপুৰ, বিলাসীপাৰাকে ধৰি বিভিন্ন অঞ্চলৰ মাছৰ বজাৰত অগণন ক্ৰেতাৰ ভিৰ পৰিলক্ষিত হয়। কাইলৈ জিলাখনৰ জনসাধাৰণে বিহু উপলক্ষে পুৱাতে মেজি জ্বলাই পৰম্পৰাগত ৰীতি-নীতিৰে অগ্নিসেৱা কৰাৰ বাবে সাজু হৈছে।

00000000

ৰাজ্যৰ বিভিন্ন ঠাইত মাঘ বিহুত পৰম্পৰাগতভাৱে আয়োজন কৰি অহা ম'হ যুঁজ আৰু হাজোৰ বুলবুলি চৰাইৰ যুঁজ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ পৰিপ্ৰেক্ষিতত এইবাৰ অনুষ্ঠিত নহয়। কামৰূপ জিলাৰ জিলা দণ্ডাধীশে আজি ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত জিলাখনত বুলবুলি চৰাইৰ যুঁজ অনুষ্ঠিত কৰাত নিষেধাজ্ঞা আৰোপ কৰিছে। উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ে যোৱাবছৰৰ ১৭ ডিচেম্বৰত এখন লেখ আবেদনৰ জৰিয়তে প্ৰদান কৰা চূড়ান্ত ৰায় অনুসৰি ৰাজ্য চৰকাৰে ২০২৩ চনৰ ২৭ ডিচেম্বৰত ম'হ আৰু বুলবুলি চৰাইৰ যুঁজৰ অনুমতি প্ৰদান কৰি জাৰি কৰা অধিসূচনা বন্যপ্ৰাণী সুৰক্ষা আইন, ১৯৭২ আৰু আন বন্যপ্ৰাণী সুৰক্ষা আইনৰ সম্পূৰ্ণ উলংঘন বুলি প্ৰকাশ কৰা হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত মাঘ বিহুৰ সময়ছোৱাত এই আইন উলংঘা হোৱাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি উচ্চ ন্যায়ালয়ে এইক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰিছে।

00000000

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মালিগাঁৱৰ বৰিপাৰাৰ তৰুণ সংঘ পুথিভঁৰাল খেলপথাৰত আয়োজিত এটা অনুষ্ঠানত ২০২৪ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ আৰু ডিষ্টিংচন লাভ কৰা মুঠ এহেজাৰ ৫১৭ গৰাকী ছাত্ৰ-ছাত্ৰীক বৃত্তিৰ ধন প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ লগতে পিতৃ-মাতৃ আৰু অভিভাৱকসকলক অভিনন্দন জ্ঞাপন কৰে। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড০ শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ লক্ষ্যসমূহক বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত দৃঢ়তাৰে আগবাঢ়ি যাবলৈ আহ্বান জনায়। তেওঁ লগতে একবিংশ শতিকাৰ প্ৰতিযোগিতা আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰাকৈ নিজকে প্ৰস্তুত কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনায়।

**বাইট (চি এম)**

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে কালি চাংসাৰিত আয়োজিত এটা অনুষ্ঠানত শুৱালকুছি আৰু বেজেৰাৰ ছাত্ৰ-ছাত্ৰীসকলক বৃত্তি প্ৰদান কৰে।

০০০০০০০০

অহা মাহত ৰাজ্যখনত হ'বলগীয়া এডভাণ্টেজ আছাম শীৰ্ষক বিনিয়োগ আৰু আন্তঃগাঁথনি শীৰ্ষ সন্মিলনৰ পৰিপ্ৰেক্ষিতত আজি মন্ত্ৰী কেশৱ মহন্তই মালয়েছিয়াৰ উদ্যোগ আৰু বাণিজ্য ক্ষেত্ৰৰ কেইবাগৰাকীও প্ৰতিনিধিৰ সৈতে চাৰিখন বৈঠকত মিলিত হয়। প্ৰথমখন বৈঠকত মালয়েছিয়াৰ তৈল খেজুৰ উৎপাদন খণ্ডৰ বিনিয়োগকাৰীসকল আৰু দ্বিতীয়খন বৈঠকত দেশখনৰ আটাইকেইটা বাণিজ্য আৰু উদ্যোগ সংগঠনৰ মুৰব্বীসকল উপস্থিত থাকে। শ্ৰীমহন্তই তৃতীয়খন বৈঠকত মালয়েছিয়াৰ পৰ্য্যটন খণ্ডৰ প্ৰতিনিধি আৰু চতুৰ্থখনত ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ সংগঠনৰ নেতৃবৰ্গৰ সৈতে অসমত বিনিয়োগৰ সম্ভাৱনা সম্পৰ্কে আলোচনা কৰে। শ্ৰীমহন্তই এই প্ৰতিনিধিসকলক বিনিয়োগক উদগনি যোগোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সহযোগত অসম চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে অৱগত কৰে। প্ৰতিনিধিসকলে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণৰ বাবে আগ্ৰহ প্ৰকাশ কৰে। চাৰিখনও বৈঠকত ৰাজ্য চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা উদ্যোগ বিভাগৰ সচিব ড০ লক্ষ্মণন এছ, মালয়েছিয়াত ভাৰতীয় দূতাবাসৰ বাণিজ্য সচিব ড০ অৰবিন্দকে ধৰি শীৰ্ষ বিষয়াসকলে অংশগ্ৰহণ কৰে।

০০০০০০০০

ডিমাহাচাও জিলাৰ উমৰাংছ'ৰ তিনকিলোৰ কয়লাখনিত উদ্ধাৰ অভিযান আজিও অব্যাহত আছে। উদ্ধাৰকাৰী দলসমূহে ঘটনাস্থলীৰ পৰা নতুনকৈ কোনো মৃতদেহ উদ্ধাৰ কৰিব পৰা নাই। আমাৰ ডিমা হাচাওৰ সংবাদদাতাই জনোৱা মতে, বিশাখাপট্টনমৰ পৰা অহা নৌবাহিনীৰ উদ্ধাৰকাৰী দলটো আজি উদ্ধাৰ অভিযান সামৰি তেওঁলোকৰ ঘাটিলৈ উভতি গৈছে। ক'ল ইণ্ডিয়া লিমিটেডেও নাগপুৰৰ পৰা অনা অত্যাধুনিক পাম্প ঘটনাস্থলীৰ পৰা আঁতৰাই নিছে আৰু ১০ টাৰো অধিক স্থানীয় পাম্পৰ সহায়ত খনিৰ পৰা পানী নিষ্কাষণ কৰি থকা হৈছে। উল্লেখযোগ্য যে, তিনকিলোৰ কয়লা খনিত যোৱা সোমবাৰে পানী সোমোৱাৰ ফলত আৱদ্ধ হৈ পৰা ৯ জন শ্ৰমিকৰ ভিতৰত চাৰিজন শ্ৰমিকৰ মৃতদেহহে উদ্ধাৰ কৰিব পৰা হৈছে।

০০০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ত অভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ ডিব্ৰুগড়ৰ ঐতিহ্য ভৱনৰ পুনৰ নিৰ্মাণ সন্দৰ্ভত সংশ্লিষ্ট বিষয়াসকলৰ সৈতে আলোচনা কৰে। শ্ৰীসোণোৱালে এই ভৱনৰ কামসমূহ নিয়াৰিকৈ আগবঢ়াই নিয়াৰ বাবে বিষয়াসকলক বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায়। উল্লেখযোগ্য যে কাজিৰঙাত শেহতীয়াকৈ অনুষ্ঠিত অভ্যন্তৰীণ জলপথ উন্নয়ন পৰিষদৰ দ্বিতীয়খন বৈঠকত ঘোষণা কৰা গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহৰ ভিতৰত ডিব্ৰুগড়ত ঐতিহ্য ভৱনৰ পুনৰ নিৰ্মাণৰ কথাও অন্তৰ্ভুক্ত আছিল। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জিলাখনত ৰূপায়ণ হৈ থকা আন কেতবোৰ উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰো পৰ্যালোচনা কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক এই সময়ছোৱাত অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ছৈকত পাত্ৰই সংগ দিয়ে।

00000000

ওৰাং ৰাষ্ট্ৰীয় উদ্যানত গঁড় হত্যাৰ অভিসন্ধি কৰা এজন চোৰাং চিকাৰীক যোৱা নিশা দৰং জিলাৰ শ্যামপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে লগতে বগৰীবাৰী গাঁৱত চোৰাং চিকাৰত ব্যৱহাৰৰ বাবে মাটিত পুতি থোৱা অৱস্থাৰ পৰা ভালেমান অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰে। অস্ত্ৰ-শস্ত্ৰসমূহৰ ভিতৰত এটা থ্ৰি নট থ্ৰি ৰাইফল, ১১ জাই গুলী আৰু দুটা হাতে সজা ৰাইফল আছে। ধৃত লোকজন মোদিন মোল্লা বুলি আৰক্ষীয়ে চিনাক্ত কৰিছে।

00000000

প্ৰাক্তন আই পি এছ্ বিষয়া দেৱৰাজ উপাধ্যায়ে আজি অসম লোকসেৱা আয়োগৰ নতুন অধ্যক্ষ হিচাপে শপতগ্ৰহণ কৰে। ৰাজভৱনত আয়োজিত এটা অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই তেওঁক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। একেটা অনুষ্ঠানতে আই এ এছ্ বিষয়া ভাস্কৰ ফুকন আৰু এ চি এছ্ মৃগেশ নাৰায়ণ বৰুৱাই অসম লোকসেৱা আয়োগৰ সদস্য হিচাপে শপতগ্ৰহণ কৰে। অনুষ্ঠানত অসম লোকসেৱা আয়োগৰ সদস্য তথা নিৰ্বাচন বিভাগৰ মুখ্য সচিব অনুৰাগ গোৱেল, ৰাজ্য চৰকাৰৰ সচিব এম এছ্ মণিবন্ননকে ধৰি কেইবাগৰাকী শীৰ্ষ বিষয়া উপস্থিত থাকে।

00000000

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত আজি শুভাৰম্ভ হোৱা মহাকুম্ভ মেলাত অসমৰ মাজুলীৰ লগতে উত্তৰ-পূবৰ কেইবাগৰাকীও পুৰোহিত আৰু সত্ৰাধিকাৰে অংশগ্ৰহণ কৰিব। মাজুলীৰ আউনীআটি, দক্ষিণপাট আৰু উত্তৰ কমলাবাৰী সত্ৰৰ ভকত-বৈষ্ণৱৰ লগতে ৰাজ্যৰ কেইবাখনো সত্ৰৰ সত্ৰাধিকাৰো এই মেলাত উপস্থিত থাকিব। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে সত্ৰাধিকাৰসকলক মেলালৈ আমন্ত্ৰণ জনোৱাৰ লগতে তেওঁলোকক বিশেষ অতিথিৰ মৰ্য্যাদা দিয়া হ'ব বুলি প্ৰকাশ কৰিছে। মাজুলীৰ সত্ৰাধিকাৰ আৰু ভকত-বৈষ্ণৱৰ দলে মেলাৰ অংশ হিচাপে সত্ৰীয়া সংস্কৃতি প্ৰদৰ্শন কৰিব। তদুপৰি, অসমীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ নামঘৰকো এই মেলাত বিশ্বৰ বিভিন্ন প্ৰান্তৰ ভক্তৰ সন্মুখত প্ৰদৰ্শন কৰা হ'ব। এই সন্দৰ্ভত মাজুলীৰ আউনীআটি সত্ৰৰ বৈষ্ণৱ অনন্ত কলিতাই এইদৰে কয় -

-বাইট-

উল্লেখযোগ্য, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতীয় প্ৰমূল্য আৰু সংস্কৃতিক উদযাপন কৰা সকলৰ বাবে এই মেলাৰ শুভাৰম্ভৰ দিনটো বিশেষ দিন বুলি অভিহিত কৰে। তেওঁ কয়, যে মহাকুম্ভমেলাই দেশৰ প্ৰাচীন আধ্যাত্মিক ঐতিহ্যক প্ৰতিফলিত কৰাৰ লগতে বিশ্বাস আৰু সম্প্ৰীতিৰ ধাৰাবাহিকতাক উদযাপন কৰে। তেওঁ সকলো পৰ্যটক আৰু তীৰ্থযাত্ৰীলৈ শুভেচ্ছা জ্ঞাপন কৰি ভাৰতীয় আধ্যাত্মিক ঐতিহ্য বহনকাৰী এই বৃহৎ উৎসৱে ভক্তসকলৰ জীৱনত নতুন শক্তি আৰু উৎসাহৰ সঞ্চাৰ কৰিব বুলি আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে, চলিত বছৰত বিশ্বৰ সৰ্ববৃহৎ সাংস্কৃতিক আৰু আধ্যাত্মিক সমাৱেশ হিচাপে পৰিগণিত হ'বলগীয়া এই মেলাত ৪৫ কোটিৰো অধিক ভক্তই অংশ লোৱাৰ সম্ভাৱনা আছে। ভাৰতীয় ৰে'ল বিভাগে এই মেলাৰ বাবে ৩০০ খন বিশেষ ৰে'লকে ধৰি ১০ হাজাৰৰো অধিক ৰে'লগাড়ী চলাচল কৰোৱাৰ ব্যৱস্থা কৰিছে। এই মেলা নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ অংশ হিচাপে কৃত্ৰিম বুদ্ধিমত্তাচালিত অত্যাধুনিক

কেমেৰা, পানীৰ তলত সংস্থাপন কৰা ড্ৰ'ণৰ সহায়ত সকলো দিশ নিৰীক্ষণৰ ব্যৱস্থা কৰা হৈছে। ৫৬ গৰাকী চাইবাৰ কৰ্মীক লৈ এখন চাইবাৰ আৰক্ষী থানাও স্থাপন কৰা হৈছে।

০০০০০০০০

নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত আজি খো খো বিশ্বকাপ ২০২৫ আৰম্ভ হ'ব। ভাৰতীয় অলিম্পিক সংস্থাৰ সহযোগত এই উদ্বোধনী সংস্কৰণত ২০টা পুৰুষ দল আৰু ১৯টা মহিলা দলে অংশগ্ৰহণ কৰিছে। ভাৰতীয় খো খো সংস্থাই এই প্ৰতিযোগিতাৰ বাবে পুৰুষ আৰু মহিলাৰ পৃথকে পৃথকে ১৫ জনীয়া দল ঘোষণা কৰিছে। প্ৰতীক ৱাইকাই নেতৃত্ব দিবলগীয়া ভাৰতীয় পুৰুষৰ দলটো নেপাল, পেৰু, ব্ৰাজিল আৰু ভূটানৰ সৈতে গ্ৰুপ-এত আছে। প্ৰিয়ংকা ইংলেৰ নেতৃত্বৰ মহিলা দলটো ইৰাণ, মালয়েছিয়া আৰু কোৰিয়াৰ সৈতে গ্ৰুপ-এত আছে। খো খো বিশ্বকাপৰ চূড়ান্ত খেলখন অহা ১৯ জানুৱাৰীত অনুষ্ঠিত হ'ব। আজি নিশা চাৰে ৮ বজাত ভাৰতৰ পুৰুষৰ দলটোৱে নেপালৰ বিৰুদ্ধে প্ৰতিযোগিতাৰ প্ৰথমখন খেলত অৱতীৰ্ণ হ'ব। দূৰদৰ্শনৰ ডি ডি স্পৰ্টছত খেলখনৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হ'ব।

০০০০০০০০

তিনিচুকীয়া জিলাৰ ফিল'বাৰীৰ ৰ'হবাৰীৰ পৰ্যটন মেলাত যোৱানিশা সংগীতানুষ্ঠানৰ সময়ত অসুস্থ হৈ পৰা কণ্ঠশিল্পী ৰাজীৱ শদিয়াৰ আজি অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে শিল্পীগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তেওঁৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে। শ্ৰীসোণোৱালে এটা শোক বাৰ্তাত কয়, যে সামাজিকভাৱে দায়বদ্ধ প্ৰতিভাবান শিল্পী ৰাজীৱ শদিয়াৰ গীত-মাতে সমাজ জীৱনক চিন্তাৰ খোৰাক যোগাইছিল আৰু তেওঁৰ মৃত্যু অসমীয়া সমাজ-সংস্কৃতিৰ বাবে এটা অপূৰণীয় ক্ষতি। উল্লেখযোগ্য যে মঞ্চত গীত পৰিৱেশন কৰি থকাৰ মাজতে হঠাৎ ঢলি পৰা শিল্পীগৰাকীক নিশাই অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হয়। কেইবাঘণ্টা আই চি ইউত ৰখাৰ পাছত চিকিৎসকসকলে তেওঁক মৃত বুলি ঘোষণা কৰে। হৃদৰোগজনিত কাৰণতে শিল্পীগৰাকীৰ মৃত্যু হয় বুলি চিকিৎসকসকলে প্ৰকাশ কৰে। কণ্ঠশিল্পী তৰালী শৰ্মা, বিজেপিৰ মুখপাত্ৰ মনোজ বৰুৱা, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, ৰাইজৰ দলৰ সভাপতি অখিল গগৈ, বিধায়ক বলিন চেতিয়াকে ধৰি বিভিন্নজনে শিল্পীগৰাকীৰ মৃত্যুত শোক প্ৰকাশ কৰিছে।

০০০০০০০০

সমাপ্ত